# দিছপুৰ মহাবিদ্যালয়ত চৰ্যাপদ বিষয়ক আন্তঃৰাষ্ট্ৰীয় সন্মিলন-কৰ্মশালাৰ সামৰণি

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৭ আগষ্ট ঃ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়, অসম কলাতীৰ্থ, বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয়ে যুটীয়াভাৱে দিছপুৰ মহাবিদ্যালয়ৰ সহযোগিতাত ৩ আগষ্টৰ পৰা ৬ আগষ্টলৈ গুৱাহাটীত চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতি বিষয়ত এখন আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰে। এই বিষয়ে ড° প্ৰণীতা শৰ্মা আৰু ড° জ্যোতিষ গোস্বামীয়ে জনায় যে ৩ আৰু ৪ আগষ্টত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চৰ্যানৃত্য আৰু সংগীতৰ কৰ্মশালা শুভাৰম্ভ কৰে অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। ৫ আগষ্টত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয়ত আন্তঃৰাষ্ট্ৰীয় সন্মিলন আৰু শৈক্ষিক সত্ৰ উদ্বোধনী অনুষ্ঠান অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শুভ উদ্বোধন কৰে। অনুষ্ঠানত দেশ-বিদেশৰ গৱেষক তথা সমল ব্যক্তিয়ে গৱেষণা পত্ৰ পাঠ কৰে। ৬ আগষ্টত দিছপুৰ মহাবিদ্যালয়ত চৰ্যাপদ ভাষা, সাহিত্য, সংস্কৃতিৰ আন্তঃৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ সামৰণি সভা অনুষ্ঠিত হয়। সামৰণি অনুষ্ঠানত আদৰণি ভাষণ দি দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা প্ৰধান উদ্যোক্তা ড° নৱজ্যোতি বৰাই চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতি মূল্যাংকনৰ প্ৰাসংগিকতা সন্দৰ্ভত ব্যাখ্যা কৰে। সন্মিলনত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ শিক্ষাবিদ সংস্কৃতিৰ গৱেষক ব্যক্তিয়ে অংশগ্ৰহণ কৰি বহুকেইখন গৱেষণা পত্ৰ পাঠ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাবে উপস্থিত থাকি ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য আৰু কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বন্তি প্ৰজ্বলন কৰি সামৰণি অনুষ্ঠান আৰম্ভ কৰে। মন্ত্ৰী বৰুৱাই অসম তথা উত্তৰ-পূৰ্বাঞ্চল, বাংলা, ভোজপুৰী, ওড়িয়া, মগধী, মৈথেলী আদি পূব ইন্দো আৰ্য এই বৃহত্তৰ এলেকাৰ ভাষা, সাহিত্য, সংস্কৃতি সু-সমন্বয় তথা চৰ্যাপদৰ প্ৰাসংগিকতা আৰু গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সামৰণি অনুষ্ঠানত অসম কলাতীৰ্থৰ সভাপতি তথা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ সম উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাসেও ভাষণ দিয়ে। বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতি বিষয়ত অধ্যয়ন কৰিবলৈ আগবাঢ়ি অহা পাঁচজনকৈ ছাত্ৰ-ছাত্ৰীৰ স্নাতকোত্তৰ ডিগ্ৰীলৈ অধ্যয়ন তথা ডক্টৰেট ডিগ্ৰী প্ৰদানৰ গৱেষণাৰ সমস্ত খৰচ অসম কলাতীৰ্থই বহন কৰিব বুলি ঘোষণা কৰে। অনুষ্ঠানত নেপালৰ পূৰ্বাঞ্চল বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক ৰাম অৱতাৰ যাদৱ, ঢাকা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুকোমল বৰুৱা, মিথিলা বিশ্ববিদ্যালয়ৰ অধ্যাপক নাৰায়ণ ঝা তথা গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় আৰু কেইবাখনো মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাই গৱেষণা পত্ৰ পাঠ কৰে। দিছপুৰ মহাবিদ্যালয়ৰ আলোচনা সত্ৰত নেপালৰ ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ অধ্যাপক বীৰ গৌতম বজ্ৰাচাৰ্য, ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ নৃত্য বিভাগৰ কলাগুৰু মহুৱা মুখাৰ্জী, ঢাকা বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ৰাছেল পেৰিচ প্ৰমুখ্যে ব্যক্তিসকলে চৰ্যানৃত্য প্ৰাচীন কামৰূপৰ পৰাই প্ৰসাৰিত হৈ নেপালত সম্পূৰ্ণভাৱে আৰু বিহাৰ, বেংগল,' উৰিষ্যা আৰু বাংলাদেশত আংশিকভাৱে চৰ্চা হৈ আহিছে বুলি উল্লেখ কৰে। অসম বিশ্ববিদ্যালয়ৰ অধ্যাপক বিষ্ণুচৰণ দাসে মেডিয়েভেল চেণ্টাৰ ফৰ কম্পাৰেটিভ কালচাৰ শীৰ্ষক চৰকাৰৰ পৃষ্ঠপোষকতাত এটি অনুষ্ঠান গঢ়ি তোলাৰ প্ৰস্তাৱক সকলোৰে সমৰ্থন কৰে। অসম কলাতীৰ্থৰ ভাৰপ্ৰাপ্ত সঞ্চালক তথা দিছপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মা আৰু দিছপুৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যাংকন নিৰূপক সমন্বয়ক তথা সন্মিলনৰ সমন্বয়ক ড° অজয় মিত্ৰই চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতিৰ নিজৰ কৰণীয় আৰু প্ৰাসংগিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰা বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ আঁত ধৰে দিছপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° শিখাজ্যোতি ডেকাই।



সন্মিলনৰ সামৰণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিছে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই

# Int'l meet on language concludes

CITY CORRESPONDENT

GUWAHATI, Aug 7: A four-day long international conference and workshop on Charyapad, Language, Literature and Culture, being organised by Asom Kalatirtha along with the Directorate of Cultural Affairs, Government of Assam, University of Science and Technology Meghalaya (USTM) and Dispur College, ended here on Saturday.

The concluding ceremony of the conference was held at Dispur College on Saturday in the presence of dignitaries from Kathmandu, Dhaka, Kolkata and Patna and other parts of the State.

Minister of Public Health Engineering Department, Skill Employment and Entrepreneurship and Tourism Jayanta Mallabaruah was the chief guest at the concluding ceremony.

MLA and Asam Sahitya Sabha's former president Paramananda Rajbongshi welcomed all dignitaries and emphasized the importance of Charyapad along with its glorious history which enriches Assamese language.

...stinguished persons and government officials are expected to be present.

As per the programme, the plantation of 6,500 saplings will be carried out at the project sites of AIDC. The CMIPP is being implemented under the Science, Technology and Climate Change department of the Government of Assam and was launched to mark the 'Azadi Ka Amrit Mahotsav', an official release said.




*A magazine titled* Prernar Magazine – Niyarar Phul *and a book titled* Kasiyoli Rodot Aashar Gojali, *written by Ranjan Saikia being released at the Gauhati Press Club on Sunday. – UB Photos*

নলবাৰীৰ মোহখলা ■ ১২ পৃষ্ঠাত

### দিছপুৰ কলেজত আন্তঃৰাষ্ট্ৰীয় সন্মিলন-কৰ্মশালাৰ সামৰণি

# দেশ-বিদেশৰ গৱেষকৰ চৰ্চাত চৰ্যাপদ, ভাষা, সাহিত্য-সংস্কৃতি



### 'চৰ্যাপদ'ৰ পাঁচ শিক্ষাৰ্থীৰ উচ্চ শিক্ষাৰ ব্যয় বহন কৰিব অসম কলাতীৰ্থই

গুৱাহাটী, ৭ আগষ্ট ঃ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আৰু অসম কলাতীৰ্থৰ উদ্যোগত আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয় (ইউ এছ টি এম) আৰু দিছপুৰ মহাবিদ্যালয়ৰ সৌজন্যত ৩ আগষ্টৰ পৰা ৬ আগষ্টলৈকে গুৱাহাটীত 'চৰ্যাপদ, ভাষা, সাহিত্য-সংস্কৃতি' বিষয়ৰ ■ ১২ পৃষ্ঠাত

## দেশ-বিদেশৰ গৱেষকৰ চৰ্চাত চৰ্যাপদ, ভাষা, সাহিত্য-সংস্কৃতি

■ *পঞ্চম পৃষ্ঠাৰ পৰা* এখন আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ আৰু কৰ্মশালা সফলভাৱে অনুষ্ঠিত হয়। আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ প্ৰচাৰ বিভাগৰ হৈ ড° প্ৰণীতা শৰ্মা আৰু ড° জ্যোতিষ গোস্বামীয়ে এক প্ৰেছ বিজ্ঞপ্তিত জনোৱামতে ৩ আৰু ৪ আগষ্টত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত চৰ্যানৃত্য আৰু সংগীতৰ কৰ্মশালা শুভাৰম্ভ কৰে অসমৰ শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগুৱে। চৰ্যানৃত্যৰ পৰিবেশন প্ৰত্যক্ষ কৰি ভাষণ প্ৰসংগত পেগুৱে কয় যে চৰ্যানৃত্য অসমৰ কিয়দংশ ওজাপালি, কিয়দংশ দেওধনী, সত্ৰীয়া আৰু ক'ৰবাত টাই-সংস্কৃতিৰ নৃত্যৰ লয়লাস প্ৰতিফলিত হোৱা দেখা গৈছে। আনহাতে ৫ আগষ্টত ইউ এছ টি এমত আন্তঃৰাষ্ট্ৰীয় সন্মিলন আৰু শৈক্ষিক সত্ৰ উদ্বোধন কৰে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। এই অনুষ্ঠানত দেশ-বিদেশৰ গৱেষক তথা সমল ব্যক্তিয়ে গৱেষণা পত্ৰ পাঠ কৰে। সন্ধিয়া শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীত অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ধ্ৰুৱজ্যোতি বৰা, অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী, প্ৰধান সম্পাদক যাদৱ শৰ্মা, কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে।

৬ আগষ্টত দিছপুৰ মহাবিদ্যালয়ত চৰ্যাপদ, ভাষা, সাহিত্য-সংস্কৃতিৰ আন্তঃৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ সামৰণী সভা অনুষ্ঠিত হয়। সামৰণী অনুষ্ঠানত আদৰণী ভাষণত দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা প্ৰধান উদ্যোক্তা ড° নৱজ্যোতি বৰাই চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতি মূল্যাংকনৰ প্ৰাসংগিকতা সন্দৰ্ভত কিছু প্ৰয়োজনীয় দিশৰ ওপৰত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। উল্লেখযোগ্য যে এই আন্তৰ্জাতিক আলোচনাচক্ৰ আৰু কৰ্মশালাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে ভাৰতৰ বিভিন্ন সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ উপৰি চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ শিক্ষাবিদ তথা বিশিষ্ট ভাষা, সাহিত্য, সংস্কৃতিৰ গৱেষক ব্যক্তিয়ে অংশগ্ৰহণ কৰি চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতিক লৈ বহুকেইখন গৱেষণাপত্ৰ পাঠ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ জনস্বাস্থ্য আৰু কাৰিকৰী, পৰ্যটন, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বন্তি প্ৰজ্বলনৰ দ্বাৰা সামৰণী অনুষ্ঠানৰ আৰম্ভণি কৰে। মন্ত্ৰী বৰুৱাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ, বাংলা, ভোজপুৰী, ওড়িয়া, মগধী, মৈথেলী আদি পূব ইন্দো আৰ্য এই বৃহত্তৰ এলেকাটোৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সুসমন্বয় তথা চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতিৰ মূল্যাংকনৰ প্ৰাসংগিকতা আৰু গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

সামৰণী অনুষ্ঠানত অসম কলাতীৰ্থৰ সভাপতি তথা ইউ এছ টি এমৰ প্ৰোঃ উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাসে চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতিৰ উন্নীতকৰণৰ ঃ চেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অসম কলাতীৰ্থই আগবঢ়োৱা উল্লেখযোগ্য দিশসমূহৰ বিষয়ে আলোচনা কৰিবলৈ এই আলোচনা তথা কৰ্মশালাই সঁচাকৈয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰে। ছিপাঝাৰ সমষ্টিৰ বিধায়ক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু অসম কলাতীৰ্থৰ মুখ্য উপদেষ্টা ড° পৰমানন্দ ৰাজবংশীয়ে চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতিৰ বিষয়ত অধ্যয়ন কৰিবলৈ আগবাঢ়ি অহা পাঁচজনকৈ ছাত্ৰ-ছাত্ৰীৰ স্নাতকোত্তৰ ডিগ্ৰীলৈ অধ্যয়ন তথা ডক্টৰেট ডিগ্ৰী প্ৰদানৰ গৱেষণাৰ সমস্ত খৰচ অসম কলাতীৰ্থই বহন কৰিব বুলি ঘোষণা কৰে। অনুষ্ঠানত নেপালৰ পূৰ্বাঞ্চল বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক ৰাম অৱতাৰ যাদৱ, ঢাকা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুকোমল বৰুৱা, এল এন চি পি মিথিলা বিশ্ববিদ্যালয়ৰ অধ্যাপক নাৰায়ণ ঝা তথা গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় আৰু কেইবাখনো মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাই সমল ব্যক্তি হিচাপে গৱেষণাপত্ৰ পাঠ কৰে। দিছপুৰ মহাবিদ্যালয়ৰ আলোচনা সত্ৰত নেপালৰ ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ অধ্যাপক বীৰ গৌতম বজ্ৰাচাৰ্য, ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ নৃত্য বিভাগৰ কলাগুৰু মহুৱা মুখাৰ্জী, ঢাকা বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ৰাছেল পেৰিছ প্ৰমুখ্যে ব্যক্তিসকলে চৰ্যানৃত্য প্ৰাচীন কামৰূপৰ পৰাই প্ৰসাৰিত হৈ নেপালত সম্পূৰ্ণভাৱে আৰু বিহাৰ, বংগ, ওড়িশা আৰু বাংলাদেশত আংশিকভাৱে চৰ্চা হৈ আহিছে বুলি মত পোষণ কৰে। অসম বিশ্ববিদ্যালয়ৰ অধ্যাপক বিষ্ণুচৰণ দাশে মিডিয়েভল চেণ্টাৰ ফৰ কম্পাৰেটিভ কালচাৰ নামেৰে চৰকাৰৰ পৃষ্ঠপোষকতাত এটি অনুষ্ঠান গঢ়ি তোলাৰ প্ৰস্তাৱক সকলোৱে সমৰ্থন কৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিন্ন বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰাৰ উপৰি দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিহু নৃত্য প্ৰদৰ্শনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। সামৰণী অনুষ্ঠানত গৱেষণাপত্ৰ পাঠ কৰা আৰু কৰ্মশালাত উপস্থিত থকা সকলোকে প্ৰমাণপত্ৰ প্ৰদান কৰে।

অসম কলাতীৰ্থৰ ভাৰপ্ৰাপ্ত সঞ্চালক তথা দিছপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মা আৰু দিছপুৰ মহাবিদ্যালয় আভ্যন্তৰীণ মূল্যাংকন নিৰূপক সমন্বয়ক তথা সন্মিলনৰ সমন্বয়ক ড° অজয় মিত্ৰই চৰ্যাপদ, ভাষা, সাহিত্য, সংস্কৃতিৰ নিজৰ কৰণীয় আৰু প্ৰাসংগিকতা ওপৰত গুৰুত্ব আৰোপ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত আটাইকে ধন্যবাদ জ্ঞাপন কৰে। আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ আঁত ধৰে দিছপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° শিখাজ্যোতি ডেকাই। সামৰণী অনুষ্ঠানত দেশ-বিদেশৰ গৱেষক তথা সমল ব্যক্তিয়ে দিছপুৰ মহাবিদ্যালয়ৰ আটাইকে সুন্দৰ পৰিৱেশ, আপ্যায়ন তথা আতিথ্যক ভূয়সী প্ৰশংসা কৰে।

দৰ শ্ৰু

## সিদ্ধান্ত কাৰ্যকৰী ন

বৰ্গৰ ২৬ হেজাৰ পদৰ নিযুক্তি প্ৰ
া ২১ আৰু ২৮ আগষ্টত অনুষ্ঠিত
কাত জাঙুৰ খাই উঠিছে সংগঠনটো
আন্দোলনৰ হুংকাৰ দিছে। আজি দি
যে নিযুক্তিৰ পৰীক্ষাত প্ৰতিবন্ধীসব
বিশেষ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষি
আছে যদিও প্ৰতিবন্ধীৰ বাবে কো

# দিছপুৰ কলেজৰ হৰলুকী হোৱা ৭৬,৩৪,৯০০ টকা ঘূৰাই দিলে বেংকে

### বেংক অব্ বৰোডাৰ গাফিলতিতে হৈছিল কেলেংকাৰী

প্ৰতিদিন সংবাদ, গুৱাহাটী, ১২ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয়ৰ একাউণ্টৰ পৰা হৰলুকী হোৱা ৭৬,৩৪,৯০০ টকা অৱশেষত ঘূৰাই দিবলৈ বাধ্য হ'ল বেংক অব্ বৰোডা। বেংক অব্ বৰোডাৰ দিছপুৰ শাখাই তিনিটা কিস্তিত দিছপুৰ মহাবিদ্যালয়ক ■ ৬ পৃষ্ঠাত

## বোকাখাতত পথ দুৰ্ঘটনাত দুই ছাত্ৰৰ মৃত্যু

প্ৰতিদিন সেৱা, কাজিৰঙা,

আৱৰ্ত






# দিছপুৰ কলেজৰ হৰলুকী হোৱা ৭৬,৩৪,৯০০ টকা ঘূৰাই দিলে

■ *পঞ্চম পৃষ্ঠাৰ পৰা* বৃহৎ এই ধনৰাশি ঘূৰাই দিয়ে। বেংকৰ শাখাটোৱে কালি এই ধনৰাশিৰ তৃতীয় কিস্তি হিচাপে মহাবিদ্যালয়খনৰ একাউণ্টত জমা কৰে ৫৪,৭৩,৮৭২ টকা। তদুপৰি বেংক কৰ্তৃপক্ষই ধন হৰলুকীৰ দিনটোৰ পৰা মহাবিদ্যালয় কৰ্তৃপক্ষই পাবলগীয়া সুদ প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। আজি এই কথা সাংবাদিকৰ আগত প্ৰকাশ কৰে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। তেওঁ সাংবাদিকক জনোৱামতে, প্ৰথম কিস্তি হিচাপে বেংক কৰ্তৃপক্ষই যোৱা ৩১ মে'ত ৬,৫৪,৬৮৪ টকা আৰু ১৬ জুনত ১৫,০৬,৩৪৪ টকা দ্বিতীয় কিস্তি হিচাপে ঘূৰাই দিয়ে। উল্লেখযোগ্য যে বেংক অব্ বৰোডাৰ দিছপুৰ শাখাত থকা মহাবিদ্যালয়খনৰ একাউণ্টৰ পৰা আৰ টি জি এছযোগে ইউনিয়নৰ বেংকৰ পশ্চিমবংগৰ বৰানগৰ শাখালৈ বৃহৎ এই ধনৰাশি ট্ৰেন্সফাৰ হৈছিল। ইয়াৰ পিচত এই ধনৰাশি তথাকথিত জাতীয় কম্পিউটাৰ মিছন নামৰ এটা প্ৰতিষ্ঠানে যোৱা ২ মে'ত উলিয়াই নিয়ে। এই বিষয় মহাবিদ্যালয় কৰ্তৃপক্ষৰ অৱগত হোৱাৰ পিচতে অধ্যক্ষ ড° নৱজ্যোতি বৰাই দিছপুৰ থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। তদন্তৰ সময়ত বেংক কৰ্তৃপক্ষৰ চূড়ান্ত গাফিলতিৰ বাবে বৃহৎ পৰিমাণৰ এই ধনৰাশি ইউনিয়ন বেংকলৈ ট্ৰেন্সফাৰ হোৱাটো পোহৰলৈ আহে। দুষ্ট চক্ৰই ধনখিনি ইউনিয়ন বেংকৰ উক্ত শাখাটোলৈ ট্ৰেন্সফাৰ কৰিবলৈ বেংক অব্ বৰোডাৰ দিছপুৰ শাখাৰ বিষয়াক প্ৰদান কৰিছিল ভুৱা চেক। বেংক বিষয়াৰ চূড়ান্ত অমনোযোগী মনোভাৱৰ বাবে মহাবিদ্যালয়খনৰ একাউণ্টৰ পৰা বৃহৎ পৰিমাণৰ এই ধন ইউনিয়ন বেংকৰ বৰানগৰ শাখালৈ ট্ৰেন্সফাৰ হৈছিল। এনেদৰে দিছপুৰ মহাবিদ্যালয়ৰ একাউণ্টৰ ধন দুৰ্বৃত্তই ভুৱা চেকেৰে মোকলাই নিয়া ঘটনাক লৈ সৃষ্টি হৈছিল তীব্ৰ চাঞ্চল্য। আনকি উক্ত বেংকৰ বহু গ্ৰাহকে একমাত্ৰ বিষয়া-কৰ্মচাৰীৰ চূড়ান্ত গাফিলতিৰ বাবে জমা ধন হেৰুওৱাৰ আশংকাত ভুগিছিল। শেষত দিছপুৰ মহাবিদ্যালয়ে ন্যায় পোৱাত গ্ৰাহকসকলৰ শংকা কিছু পৰিমাণে আঁতৰিছে বুলি জানিব পৰা গৈছে।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ আগষ্ট, শনিবাৰ ২০২২ পৃষ্ঠা ১৩



# হৰলুকি হোৱা ধন তিনটা কিস্তিত উভতাই পালে দিছপুৰ মহাবিদ্যালয়ে

স্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ১২ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয়ৰ বেংক অৱ বৰোডাৰ দিছিপুৰ শাখাত থকা একাউণ্টৰ পৰা হৰলুকি হোৱা সমুদায় ধন উভতাই দিলে বেংক কৰ্তৃপক্ষই। যোৱা ৩০ মে'ত প্ৰথম কিস্তি, ১৬ জুনত দ্বিতীয় কিস্তি ধন উভতাই দিয়াৰ পাছত কালি বেংক কৰ্তৃপক্ষই বাকী থকা সমুদায় ধন উভতাই দিয়া বুলি সদৰী কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই। উল্লেখ্য যে মহাবিদ্যালয়খনৰ বেংক একাউণ্টৰ পৰা প্ৰৱঞ্চক চক্ৰই ৭৬,৩৪,৯০০ টকা পশ্চিমবংগৰ এটা স্বেচ্ছসেৱী সংগঠনৰ একাউণ্টলৈ হস্তান্তৰ কৰা কৰিছিল আৰু ঘটনাৰ সন্দৰ্ভত ভাৰতীয় দণ্ড বিধি ১২০(বি)/২০৯/৪২০/৪৬৭/৪৬৮/৪৭১ ধাৰাত ১০৯৪/২০২২ নম্বৰত দিছপুৰ থানাত এক গোচৰ ৰুজু হৈছিল। এই ঘটনাত বেংকটোৰ কে'বাজনো বিষয়াৰ লগতে বেংকৰ লগতে বিএছএলৰ বিষয়া তদন্ত আওতালৈ আহিছিল আৰু সম্প্ৰতিও গোচৰটোৰ তদন্ত অব্যাহত থকাৰ মাজতে বেংক কৰ্তৃপক্ষইৰ সমুদায় টকা উভতাই দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। অৱশেষত মহাবিদ্যালয়খনে সমুদায় ধন উভতাই পোৱাত সংবাদমাধ্যমৰ বিশেষ ভূমিকা আছিল বুলি সদৰী কৰি ধন্যবাদ জ্ঞাপন কৰে।

গোৱালপাৰা, কোকৰাঝাৰ, তেজপুৰত থকা হ'ল। অৰ্জুন নমঃশূদ্ৰৰ মৃত্যুৰ আঠ বছৰ পাছত চলিত কোষৰ অধ্যক্ষ

# দিছপুৰ কলেজৰ সমুদায় ধন ঘূৰাই দিলে বেংক অৱ্ বৰোদাৰ কৰ্তৃপক্ষই

**আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১২ আগষ্ট ঃ** দিছপুৰ কলেজৰ হৰলুকি হোৱা সমুদায় ধন শেষতীয়াকৈ ঘূৰাই দিলে বেংক অৱ বৰোদাৰ কৰ্তৃপক্ষই। তিনিটা কিস্তিত দিছপুৰ কলেজৰ সমুদায় ধন বেংক কৰ্তৃপক্ষই ঘূৰাই দিয়ে। এই কথা আজি আনুষ্ঠানিক ভাৱে জানিবলৈ দিয়ে দিছপুৰ কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। দিছপুৰ কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই জানিবলৈ দিয়া মতে, ৩১ মেত ৬, ৫৪, ৬৮৪ টকা, ১৬ জুনত ১৫, ০৬, ৩৮৮ টকা আৰু ১১ আগষ্টত ৫৪, ৭৩, ৮৭২ টকা বেংক কৰ্তৃপক্ষই দিছপুৰ কলেজক ঘূৰাই দিয়ে। উল্লেখ্য যে, যোৱা ২১ এপ্ৰিলত ৭৬ লাখ ৩৪ হাজাৰ ৯০০ টকা দিছপুৰ কলেজৰ বেংক অৱ বৰোদাৰ দিছপুৰ শাখাৰ একাউণ্টৰ পৰা হৰলুকী হৈছিল আৰু ৪ মেত সমগ্ৰ ধন লুটৰ ঘটনা পোহৰলৈ আহিছিল। বৃহস্পতিবাৰে বেংক অব বৰোদাই দিছপুৰ কলেজক সমুদায় ধন ঘূৰাই দিয়ে। অতিশীঘ্ৰে বেংক কৰ্তৃপক্ষই সুতখিনিও ঘূৰাই দিব বুলি অধ্যক্ষ জনে আশা প্ৰকাশ কৰিছে। বেংক কৰ্তৃপক্ষৰ গাফিলতিৰ বাবেই ধন হৰলুকিৰ ঘটনা সংঘটিত হৈছিল বুলি অধ্যক্ষ জনে অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে, বেংক অৱ বৰোদাৰ দিছপুৰ শাখাই দিছ্পুৰ কলেজৰ ৭৬ লাখ টকা ঘূৰাই নিদিয়াত যোৱা ২৬ মেত বেংকটোৰ প্ৰবন্ধক আৰু দুগৰাকী বিষয়াক দিছ্পুৰ থানাত তলব কৰি আৰক্ষীয়ে জেৰা কৰিছিল। দিছপুৰ কলেজৰ হৰলুকি হোৱা ৭৬ লাখ টকা বেংকৰ প্ৰবন্ধকই ঘূৰাই দিব বুলি আৰক্ষীৰ ওচৰত লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল বুলি দিছ্পুৰ থানাৰ তদানীন্তন ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ শইকীয়াই জানিবলৈ দিছিল। তৎসত্বেও বেংকৰ প্ৰবন্ধকে কলেজ কৰ্তৃপক্ষক সময় মতে ধন ঘূৰাই নিদিয়াৰ বাবেই তেওঁলোকক পুনৰ থানা লৈ মাতি অনা হৈছিল বুলি ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ শইকীয়াই জানিবলৈ দিছিল। সময় মতে ধন ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি দিলেই তেওঁলোকক মুকলি কৰি দিয়া হ'ব বুলি আৰক্ষী বিষয়া জনে আমাৰ অসমৰ আগত ব্যক্ত কৰিছিল। মন কৰিব লগীয়া বিষয় যে, দিছ্পুৰ কলেজৰ ৭৬ লাখ টকা হৰলুকি হোৱাৰ সন্দৰ্ভত নিজৰ ভুল স্বীকাৰ কৰি লৈছিল বেংক অৱ বৰোদাৰ দিছপুৰ শাখাৰ প্ৰবন্ধক ৰাজেশ কুমাৰ সিনহাই। উল্লেখ্য যে, দিছ্পুৰ কলেজৰ অধ্যক্ষ নৱজ্যোতি বৰাৰ গোচৰৰ ভিত্তিত দিছপুৰ আৰক্ষীয়ে চলাইছিল তদন্ত। তাৰপাছত ৭ মেত আৰক্ষীয়ে প্ৰবন্ধক সিনহাৰ লগতে বেংকটোৰ আন কেইগৰাকীমান বিষয়াক সোধপোছ কৰিছিল। আৰু অৱশেষত সমগ্ৰ বিষয়ৰ আঁৰৰ ৰহস্য ফাদিল হৈ পৰিছিল। বেংকটোৰ শাখা প্ৰবন্ধক ৰাজেশ কুমাৰ সিনহা আৰু আন দুগৰাকী মহিলা বিষয়াই তেওঁলোকৰ ভুল ইতিমধ্যে স্বীকাৰ কৰিছিল। বেংক বিষয়াৰ ভুলৰ বাবেই অজ্ঞাত লোকে সৰকাই নিবলৈ সক্ষম হৈছিল দিছপুৰ মহাবিদ্যালয়ৰ একাউণ্টত থকা ৭৬ লাখকৈ টকা। ইফালে, সমগ্ৰ ঘটনাৰ আঁৰৰ ৰহস্য পোহৰলৈ অহাৰ পাছত বেংক অৱ বৰোদাই সমূদায় ধন দিছ্পুৰ মহাবিদ্যালয়ক ঘূৰাই দিয়া হ'ব বুলি লিখিত পত্ৰ প্ৰদান কৰিছিল।

জিলা হিচাপে ঘোষণা কৰিছে।

এইচৰ মৰ্গত ৰখা হয়।



# দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

## নখনকৈ গ্ৰন্থ উন্মোচন

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২৮ আগষ্ট ঃ** গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয়ৰ চতুৰ্চত্বাৰিংশতম প্ৰতিষ্ঠা দিৱস আজি বিভিন্ন কাৰ্যসূচীৰে মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই ছহিদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মহাবিদ্যালয়ৰ গৱেষণা উদ্ভাৱন আৰু প্ৰসাৰ কোষৰ উদ্যোগত এনপ্লয়মেণ্ট অন হুইল কাৰ্যক্ৰমৰ অন্তৰ্গত তিনিখন বিশেষভাৱে নিৰ্মিত বাহন পদপথৰ তিনিগৰাকী ব্যৱসায়ীলৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰে ড° নৱজ্যোতি বৰাই। দুপৰীয়া ১১ বজাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ পাচতে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, বিশিষ্ট অনুবাদক দিগন্তবিশ্ব শৰ্মা, সংগীত শিল্পী তৰালি শৰ্মা আৰু দৌৰবিদ হিমা দাসে মহাবিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশিত ৯খন গ্ৰন্থ ক্ৰমে 'অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ বিবিধ ব্যঞ্জনা' (সম্পাদক ড° মালবিকা ভট্টাচাৰ্য), 'এক্সপ্ল'ৰিং দি পাৰাডিমছ অব্ নৰ্থ-ইষ্ট ইণ্ডিয়া' (সম্পাদক ড° অজয় কুমাৰ ডেকা), 'ৰিচেণ্ট ট্ৰেণ্ড ইন ইডুকেচন' (সম্পাদক ড° সুনীতা আগৰৱালা), 'ইক'ন'মিক ৰিফৰ্ম এণ্ড ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্ট ইন নৰ্থ-ইষ্ট ঃ হেডিং টুৱাৰ্ডছ ছাছটেইনেবল ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্ট' (সম্পাদক ড° মনালিছা ভট্টাচাৰ্য), 'ৰিক্ৰিটিকিং শ্বেক্সপিয়েৰ' (সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মা), 'এ গ্লিমছ অব্ হিষ্টোৰিকেল আছামিজ অ'মেন' (সম্পাদক নাজনিন আৰা ৰহমান), 'হৰাইজন' (যুটীয়া সম্পাদনা ড° মনালিছা চৌধুৰী আৰু ড° মথুৰ বৰ্মন), 'দৰ্শানুৰাগী' (সম্পাদক ড° প্ৰণিতা শৰ্মা), 'জেণ্ডাৰ ইকুইলিটি এণ্ড অ'মেন এম্পাৱাৰমেণ্ট ঃ এ কণ্টেমপোৰাৰি ছাউথ ইষ্ট এছিয়ান প্ৰছপেক্টিভ' (সম্পাদক ড° শিখাজ্যোতি ডেকা) উন্মোচন কৰে।

# 44th foundation day of Dispur College organised

STAFF REPORTER

GUWAHATI, Aug 28: To commemorate the 44th foundation day of Dispur College, the principal of the institution Dr Navajyoti Borah inaugurated the 'Employment on wheels' project here today.

The project has been started by the Innovation and Extension Cell of the college, under which the college authority distributed wheel carts among a number of needy vendors of the city.

An open session was also held on the occasion of the foundation day, where Sahitya Akademi awardee Diganta Biswa Sarma, president of the governing body of the college Balendra Kumar Das, singer Tarali Sharma and sprinter Hima Das took part as guests.

Diganta Biswa Sarma delivered the foundation day lecture on the topic 'The Ideal of Modern Educators and India's Eternal Vision of Education'. In his speech, Sarma explained the pros and cons of Indian culture and the ideals of India's eternal vision of education in the light of Sri Ramakrishna, Swami Vivekananda and Sri Aurobindo. He emphasised that modern education should develop job creators not job seekers. Tarali Sharma sung the theme song penned by Prof Birinchi Kumar Medhi. The song is composed by Jintu Bardoloi.

Inaugurating the gymnasium hall of the college, champion sprinter Hima Das appealed to the students to utilise the facilities provided in the gym.

# Al Qaeda ultras ...

(Contd from page 1)

Another disturbing fact is that at least five ABT members, who are Bangladeshi nationals, are still missing. Police believe that they are still hiding somewhere in Assam and attempts are on to track them down.

As a majority of the ABT members arrested in Assam were working either as Imam of mosques or madrassa teachers, the police has appealed to the mosque committees and the committees running the madrassas to get the credentials of persons before appointing them as Imam or madrassa teacher. "If the committees running these institutions approach the police to verify the credential of any person, the police will be more than happy to do so," sources added. The mosques should also take care while giving shelter to any outsider, sources said.

# Internet cut for ...

(Contd from page 1)

A cab operator said that he had decided to stay off the road during the internet suspension period.

The Gauhati High Court had refrained from passing any order in response to a writ petition challenging the State government's decision to suspend mobile internet to prevent cheating in the recruitment examination.

Meanwhile, Chief Minister Himanta Biswa Sarma announced that the government would refund the application fee of the candidates who fail to clear the recruitment examination.

Around five lakh candidates appeared for the HSSLC level exam held from 10 am to 12 noon, while three lakh others appeared for the graduate level exam in the second half from 2 pm to 4 pm.

# Contr

The closest
away and resi
blocked their
A team from
Demolitions –
lenging task
(CBRI) and th
the adjoining
Water sprin
the site soon a
an official said
Officials sai
implosion" te
metres or 55,0
ing concrete
three months
The Supren
the demolition
Court. It held
strictly to ens

# Dec

"The lesson
health institute
especially in di
training and pr
same priority e
sources said.
The soon-to-
facilitate inter-
challenges like
CoV, Covid-19,
metro surveilla
would also resu
formulation, be
health program